

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন সমগোত্রীয় গোটত তথ্যসমূহ সজাই লোৱাৰ প্ৰক্ৰিয়াকে শ্ৰেণীবিভাজন কোৱা হয়।
- তথ্যৰ শ্ৰেণীবিভাজনৰ চাৰিটা প্ৰকাৰ আছে, সেইকেইটা হ'ল - ভৌগলিক শ্ৰেণীবিভাজন, ধাৰাবাহিক শ্ৰেণীবিভাজন, গুণগত শ্ৰেণীবিভাজন আৰু পৰিমাণগত শ্ৰেণীবিভাজন।
- যিসমূহ চলকৰ এক নিৰ্দিষ্ট ক্ষেত্ৰৰ ভিতৰত গাইগুটীয়া অথবা খণ্ডিত সকলো ধৰণৰ সম্ভাব্য গুণ ধাৰণ কৰাৰ সম্ভাৱনা থাকে সেইসমূহক ধাৰাবাহিক চলক বুলি কোৱা হয়।
- যেতিয়া চলকৰ খণ্ডিত মূল্যৰ পৰিৱৰ্তে এক গোটা নিৰ্দিষ্ট মূল্য থাকে তাক পৃথক চলক কোৱা হয়।
- বাৰংবাৰতা বিতৰণ হৈছে গুণগত চলকৰ ক্ষেত্ৰত কেঁচা মালৰ সামগ্ৰিকভাৱে শ্ৰেণীবিভাজন।
- বাৰংবাৰতা বিতৰণ তালিকাত শ্ৰেণী অন্তৰাল আৰু বাৰংবাৰতা থাকে।
- সঞ্চয়ী বাৰংবাৰতা হৈছে এক সৰল বাৰংবাৰতা বিতৰণৰ উন্নত প্ৰকাৰ আৰু কেতবোৰ নিয়ম অনুসৰণ কৰি মূল্যসমূহৰ বাৰংবাৰতা সফলতাৰে যোগ দি ইয়াক লাভ কৰিব পাৰি।



১৩.৮ অধিক জানিবলৈ

1) Gupta, S.C. (2009). ' Fundamentals of Statistics, Himalayan Publishing House, Mumbai, Sixth Edition Reprint.

2) Gupta, S.P. (2010). 'Statistical Methods', Sultan Chand & Sons, New Delhi.

১৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন সমগোগীয় গোটত তথ্যসমূহ সজাই লোৱাৰ প্ৰক্ৰিয়াকে শ্ৰেণীবিভাজন বুলি কোৱা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ বাৰংবাৰতা বিতৰণ হৈছে পৰিমাণগত চলকৰ ক্ষেত্ৰত সংগ্ৰহ কৰা কেঁচা তথ্যৰ সামগ্ৰিকভাৱে কৰা শ্ৰেণীবিভাজন।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সঞ্চয়ী বাৰংবাৰতা হৈছে এক সৰল বাৰংবাৰতা বিতৰণৰ উন্নত প্ৰকাৰ আৰু কেতবোৰ নিয়ম অনুসৰণ কৰি মূল্যসমূহৰ বাৰংবাৰতা সফলতাৰে যোগ দি ইয়াক লাভ কৰিব পাৰি।